بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**তায়েফৰ যুদ্ধৰ প্ৰেক্ষাপটত নবী (ছাঃ)ৰ জীৱনীৰ বৰ্ণনা**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১৯ চেপ্তেম্বৰ ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ ইউ.কেত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ۔ اَلۡحَمۡدُ لِلّٰہِ رَبِّ الۡعٰلَمِیۡنَ۔ الرَّحۡمٰنِ الرَّحِیۡمِ۔ مٰلِکِ یَوۡمِ الدِّیۡنِ۔ اِیَّاکَ نَعۡبُدُ وَ اِیَّاکَ نَسۡتَعِیۡنُ۔ اِہۡدِنَا الصِّرَاطَ الۡمُسۡتَقِیۡمَ۔ صِرَاطَ الَّذِیۡنَ اَنۡعَمۡتَ عَلَیۡہِمۡ ۬ۙ غَیۡرِ الۡمَغۡضُوۡبِ عَلَیۡہِمۡ وَ لَا الضَّآلِّیۡنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, যোৱা খোতবাত তায়েফৰ যুদ্ধৰ কথা উল্লেখ কৰা হৈছিল সেই সময়ত যেতিয়া এজন চাহাবাই তেওঁৰ সৈতে কথা পাতিবলৈ গৈছিল; তায়েফৰ লোকসকলে তেওঁক নিশ্চয়তা দিছিল যে তেওঁক একোৱে নক'ব, কিন্তু যেতিয়া তেওঁ দুৰ্গৰ ওচৰলৈ গৈছিল তেতিয়া প্ৰতিশ্ৰুতি ভংগ কৰি তেওঁক শ্বহীদ কৰিছিল। এই ঘটনাৰ পাছতো আঁহজৰত (ছাঃ)য়ে শান্তি স্থাপনৰ প্ৰচেষ্টা ত্যাগ কৰা নাছিল, কথা-বতৰা অব্যাহত ৰাখিবলৈ হজৰত হানজালাহ (ৰাঃ)ক প্ৰেৰণ কৰিছিল। তায়েফৰ লোকসকলে তেওঁৰ ওপৰতো আক্ৰমণ চলাইছিল, তেতিয়া আঁহজৰত (ছাঃ)য়ে কৈছিল যে কোনে আছে যিয়ে হানজালা (ৰাঃ)ক ৰক্ষা কৰি লৈ আহিব? ইয়াৰ বাবে হজৰত আববাছ (ৰাঃ)য়ে গৈ আক্ৰমণৰ পৰা তেওঁক ৰক্ষা কৰি লৈ আহিছিল।

তায়েফ আৰু কুৰাইছৰ লোকসকলৰ মাজত দীৰ্ঘদিনীয়া ভাল সম্পৰ্ক আছিল। শান্তি স্থাপন কৰাৰ বাবে হজৰত আবু ছুফিয়ান বিন হাৰব (ৰাঃ) আৰু হজৰত মুগাইৰা বিন শ্বাবা (ৰাঃ)য়ে দুৰ্গৰ ভিতৰলৈ সোমাই গৈছিল, কিন্তু তেওঁলোকে সফল হ'ব নোৱাৰিছিল। দুৰ্গৰ লোকসকলে এই আবেদন কৰিছিল যে মহম্মদ (ছাঃ)ক কওঁক যে আমাৰ বাগিচাৰ যেন কোনো ক্ষতি নকৰে। আল্লাহ আৰু আত্মীয়তাৰ স্বাৰ্থত সেয়া যেনেকুৱা আছে তেনেকুৱাই থাকিবলৈ দিয়ক। আঁহজৰত (ছাঃ)য়ে তেওঁলোকৰ আবেদন অনুসৰি বাগিচাখন ক্ষতি কৰাৰ আদেশ প্ৰত্যাহাৰ কৰিছিল। এইটো আঁহজৰত (ছাঃ)ৰ জীৱনীৰ এনেকুৱা মহান আদৰ্শ যে

খোদাৰ স্বাৰ্থত আদেশ প্ৰত্যাহাৰ কৰিছিল যাৰ ফলত যুদ্ধৰ মানচিত্ৰ সলনি হৈছিল। সেই সময়ত তেখেত (ছাঃ)য়ে এই ঘোষণা কৰিছিল যে যিজন দাস দুৰ্গৰ পৰা নামি আহি আমাৰ ওচৰত আহিব তেওঁক স্বাধীন কৰি দিয়া হ'ব। ২৩ জন দাসে দুৰ্গৰ পৰা নামি আহি তেখেত (ছাঃ)ৰ ওচৰলৈ আহিছিল, দুৰ্গৰ লোকসকলে তেওঁলোকৰ ওপৰত খং প্ৰকাশ কৰিছিল। তেখেত (ছাঃ)য়ে সেই দাস সকলক স্বাধীন কৰি প্ৰতিজনকে মুছলমান সকলৰ অধীন কৰি তেওঁলোকৰ দেখা-শুনাৰ দায়িত্ব মুছলমানসকলৰ ওপৰত অৰ্পিত কৰিছিল। তেখেত (ছাঃ)য়ে এই উপদেশ দিছিল যে তেওঁলোকক ভালদৰে শিক্ষা দিয়ক।

এবাৰ উয়ায়না বিন হাচান ফুজায়িয়ে দুৰ্গৰ ভিতৰত সোমাবলৈ ৰছুলে কৰিম (ছাঃ)ৰ পৰা বনু ছাকিফক ইছলামৰ প্ৰতি আহ্বান জনাবলৈ অনুমতি বিচাৰে। উয়ায়না বিন হাচানে মক্কা বিজয়ৰ সময়ত ইছলাম গ্ৰহণ কৰিছিল। তেওঁৰ সম্বন্ধে উল্লেখ পোৱা যায় যে নবী কৰিম (ছাঃ)য়ে তেওঁক মূৰ্খৰ অনুসাৰী বুলি কৈছিল অৰ্থাৎ এনেকুৱা নেতা আৰু পথ প্ৰদৰ্শক যিজন মূৰ্খ। অনুমতি পোৱাৰ পাছত উয়ায়নাই দুৰ্গৰ ভিতৰত সেই লোকসকলৰ ওচৰত গৈছিল আৰু ইছলামৰ প্ৰতি আহ্বান জনোৱাৰ পৰিৱৰ্তে বনু ছাকিফক ইছলামৰ বিৰুদ্ধে আৰু অধিক উচটনি দিছিল আৰু উভতি আহি কেৱল মিছা কথা কৈছিল। আল্লাহ তা'লাই তাতে কোৱা কথাবোৰৰ বিষয়ে তেখেত (ছাঃ)ক ওহীৰ যোগেদি অৱগত কৰিছিল। আঁহজৰত (ছাঃ)য়ে তেওঁৰ মিছা উদঙাই দি উয়ায়নাই তাত কোৱা সকলো কথা পুনৰাবৃত্তি কৰিলে, এই কথা শুনি উয়ায়নাই আশ্চৰ্য হৈছিল।

তেখেত (ছাঃ)য়ে ঘেৰাও সন্দৰ্ভত হজৰত নৱাফল বিন মুৱাবিয়াহ (ৰাঃ)ৰ পৰা পৰামৰ্শ লৈছিল, তেওঁ কৈছিল যে ই এনেকুৱা যিদৰে শিয়াল নিজৰ গাঁতত সোমাই আছে, তাৰ সন্মুখত থিয় হ'লে ধৰি পেলাব আৰু এৰি দিলে কোনো ক্ষতি কৰাৰ শক্তি নাৰাখিব। ইয়াৰ পিছত তেখেত (ছাঃ)য়ে ঘেৰাও শেষ কৰাৰ সিদ্ধান্ত লৈছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে জানিব পৰা যায় যে কেৱল পৰামৰ্শৰ ভিত্তিত নহয় বৰঞ্চ খোদাৰ ফালৰ পৰা কোনো বিশেষ নিৰ্দেশনা বা ইংগিত আছিল, অন্যথা ৰছুলে কৰিম (ছাঃ)ৰ যুদ্ধ অভিযানৰ এইটো প্ৰথম সুযোগ নাছিল যে তেখেত (ছাঃ)য়ে ইমান গুৰুত্বপূৰ্ণ অভিযান বাহ্যিকভাৱে আধৰুৱা নাথাকিলেহেঁতেন। এই সন্দৰ্ভত আঁহজৰত (ছাঃ)ৰ এটা সপোনৰ উল্লেখ পোৱা যায় যিটো হজৰত আবু বক্কৰ (ৰাঃ)ক শুনাইছিল। আঁহজৰত (ছাঃ)য়ে কৈছিল যে মই দেখা পাইছো যে এটা পাত্ৰত মাখন মোৰ ওচৰলৈ আহিছে, ইয়াৰ পিছত এটা কুকুৰাই ঠোঁটেৰে সেই পাত্ৰখন উফৰাই দিলে। হজৰত আবু বক্কৰ (ৰাঃ)য়ে কৈছিল যে মোৰ ধাৰণা হ'ল যে তেখেত (ছাঃ)য়ে ছাকিফৰ পৰা যি বিচাৰে সেয়া এইবাৰ অৰ্জন কৰিব নোৱাৰিব। ৰছুলে কৰিম (ছাঃ)য়ে তেওঁৰ সমৰ্থন কৰিলে।

যেতিয়া ঘেৰাও শেষ হোৱাৰ ঘোষণা হ'ল তেতিয়া কিছুমান উত্তেজিত যুৱকে কৈছিল আমি বিজয় অবিহনে কিয় উভতি যাম ? এওঁলোকে প্ৰথমে হজৰত আবু বক্কৰ (ৰাঃ) আৰু হজৰত উমৰ (ৰাঃ)ৰ ওচৰলৈ গৈছিল যাতে দুয়োজনে আঁহজৰত (ছাঃ)ৰ ওচৰত আবেদন কৰিব পাৰে যে বিজয় হোৱালৈকে ঘেৰাও অব্যাহত ৰাখিব লাগে। যেতিয়া দুয়োজনে এনে কৰিবলৈ অস্বীকাৰ কৰে তেতিয়া সেই যুৱকসকলে নিজেই ৰছুলে কৰিম (ছাঃ)ৰ ওচৰত গৈ উপস্থিত হৈ বৰ উৎসাহিত হৈ কৈছিল যে হে আল্লাহৰ ৰছুল (ছাঃ)! আমি যুদ্ধ কৰিম। তেখেত (ছাঃ)য়ে কৈছিল যে ঠিক আছে, কাইলৈ ৰাতিপুৱা যুদ্ধ কৰিবা। পিছদিনা ৰাতিপুৱা তেওঁলোক আঘাতপ্ৰাপ্ত হোৱাৰ বাহিৰে একোৱে লাভ কৰিব নোৱাৰিছিল। ইয়াৰ পিছত আঁহজৰত (ছাঃ)য়ে কৈছিল যে কাইলৈ ৰাতিপুৱা আমি যাত্ৰা কৰিম, এই কথা শুনি সেই যুৱকসকলে আনন্দ প্ৰকাশ কৰিছিল।

তেওঁলোকৰ প্ৰস্তাৱৰ পৰিৱৰ্তন চাই ৰছুলে কৰিম (ছাঃ)য়ে হাঁহিছিল।

এই যুদ্ধত কাফিৰসকলৰ তিনিজন লোক হত্যা হৈছিল, এই আঘাতপ্ৰাপ্ত আৰু আন আন নিহত হোৱা সকলৰ নিৰ্দিষ্ট সংখ্যাৰ উল্লেখ পোৱা নাযায়, কাৰণ এওলোক দুৰ্গৰ ভিতৰত আছিল। এইদৰে মুছলমান সকলৰ আঘাতপ্ৰাপ্ত সকলৰ নিৰ্দিষ্ট সংখ্যাৰো উল্লেখ পোৱা নাযায়; কিন্তু হজৰত আবু ছুফিয়ান (ৰাঃ) আৰু হজৰত আব্দুল্লাহ বিন আবু বক্কৰ (ৰাঃ)য়ে আঘাতপ্ৰাপ্ত হৈছিল বুলি উল্লেখ পোৱা যায়। এই যুদ্ধত ১২ জন চাহাবা শ্বহীদ হৈছিল যিসকলৰ নাম এনেদৰে, হজৰত ছাঈদ বিন আচ (ৰাঃ), হজৰত আৰফাতা বিন জিনাব (ৰাঃ), হজৰত আব্দুল্লাহ বিন আবি উমায়া (ৰাঃ), হজৰত আব্দুল্লাহ বিন আমিৰ (ৰাঃ), হজৰত চায়েব বিন হাৰিছ (ৰাঃ), তেওঁৰ ভাতৃ আব্দুল্লাহ বিন হাৰিছ (ৰাঃ), হজৰত জলিহা বিন আব্দুল্লাহ (ৰাঃ), হজৰত ছাবিত বিন জালা (ৰাঃ), হজৰত হাৰিছ বিন ছুহেল (ৰাঃ), হজৰত মনজৰ বিন আব্দুল্লাহ (ৰাঃ), হজৰত ৰকিম বিন হাৰিছ (ৰাঃ) আৰু হজৰত আব্দুল্লাহ বিন আবু বক্কৰ (ৰাঃ) যিজন পিছত মৃত্যুবৰণ কৰিছিল। এই যুদ্ধত আঁহজৰত (ছাঃ)ৰ দুগৰাকী পত্নী হজৰত উম্মে ছালমা (ৰাঃ) আৰু হজৰত জয়নব (ৰাঃ) লগতে আছিল, এই দুয়ো গৰাকীৰ বাবে দুটা শিৱিত পাতিছিল। তেখেত (ছাঃ)য়ে সেই দুয়ো শিৱিৰৰ মাজভাগত নামাজ পঢ়িছিল। আঁহজৰত (ছাঃ)য়ে তায়েফত কিমান দিনলৈকে ঘেৰাও কৰিছিল এই সন্দৰ্ভত বিভিন্ন বৰ্ণনা পোৱা যায় য'ত দহৰ পৰা চল্লিছ নিশালৈকে উল্লেখ পোৱা যায়।

যাত্ৰাৰ সময়ত আঁহজৰত (ছাঃ)য়ে কৈছিল যে এইটো পাঠ কৰি উভতিবা যে আমি উভতি যাবগীয়া, তৌবাকাৰী, আৰু উপসনা কৰো আৰু নিজৰ প্ৰভুৰ প্ৰশংসা কৰো, তেখেত (ছাঃ)ক সোধা হয় যে হে আল্লাহৰ ৰছুল (ছাঃ)! বনু ছাকিফৰ বাবে কু-দোৱা কৰক। তেখেতৰ (ছাঃ)ৰ উচ্চ মৰ্যাদাৰ দৃশ্য এয়া আছিল কু-দোৱাৰ পৰিৱৰ্তে তেওঁলোকৰ বাবে দোৱা কৰিছিল যে হে আল্লাহ ! ছাকিফক পথ প্ৰদৰ্শন কৰা আৰু তেওঁক মুছলমান বনাই দিয়া। ইয়াৰ পিছত যেতিয়া তেখেত (ছাঃ)য়ে উভতি অহাৰ বাবে ৰাওনা হয় তেতিয়া এই দোৱা কৰে, হে আল্লাহ ! তেওঁক পথ প্ৰদৰ্শন কৰা; তেওঁলোকৰ যোগান আৰু চাহিদাৰ প্ৰতিযোগিতাত তুমি আমাৰ বাবে যথেষ্ট; আঁহজৰত (ছাঃ)ৰ আচল উদ্দেশ্য এইটো আছিল দিশসাৰা সৃষ্টিয়ে যেন আল্লাহৰ ফালে ঘূৰি আহে। খোদা তা'লাই তেখেত (ছাঃ)ৰ এই দোৱা এইদৰে গ্ৰহণ কৰিছিল যে এবছৰ পাৰ হোৱাই নাছিল তায়েফৰ সকলো লোকে ৰমজান মাহৰ ৯ হিজৰী তাৰিখত মুছলমান হৈ গৈছিল।

হুনাইনৰ যুদ্ধলব্দৰ বিতৰণৰো উল্লেখ পোৱা যায়। তেখেত (ছাঃ)ৰ নিৰ্দেশ অনুসৰি দাস সকলৰ থকাৰ বাবে অস্থায়ী ঘৰ নিৰ্মাণ কৰা হৈছিল যাতে গৰম আৰু ঠাণ্ডাৰ পৰা সুৰক্ষিত থাকিব পাৰে, তেওঁলোকৰ সংখ্যা আছিল ছয় বা আঠ হাজাৰ। যুদ্ধলব্দৰ মাজত ২৪ হাজাৰ উট, ৪০ হাজাৰতকৈ অধিক ভেড়া-ছাগলী, চাৰি হাজাৰ আওকিয়া ৰূপ ইয়াৰ ওজন প্ৰায় ৪৯০ কিঃগ্ৰাম আছিল। ইয়াৰ আগতে মুছলমান সকলে ইমান বৃহৎ সংখ্যাত যুদ্ধলব্দ লাভ কৰা নাছিল। এনে মূহুৰ্ততো তেখেত (ছাঃ)য়ে নিজৰ চাহাবা সকলক প্ৰশিক্ষণৰ প্ৰতিও লক্ষ্য ৰাখিছিল যে তেখেত (ছাঃ)য়ে যুদ্ধলব্দৰ সম্পত্তি বিতৰণৰ আগতেই ঘোষণা কৰিছিল যে এই সম্পত্তিৰ পঞ্চম ভাগৰ এভাগৰ বাহিৰে মোৰও অধিকাৰ সিমানখিনি যিমান তোমালোকৰ। সেই পঞ্চমভাগৰ এভাগো শেষত তোমালোকৰ ওচৰলৈ ঘূৰি আহিব। ইয়াৰ পিছত তেখেত (ছাঃ)য়ে কৈছিল যে বেজী আৰু তাৰ সূতা বা তাতোকৈ সৰু কোনো বস্তু যদি কাৰো ওচৰত থাকে সেয়া উভতাই দিয়ক। কৈছে বিশ্বাসঘাতকতাৰ পৰা আঁতৰত থাকিবা কিয়নো কিয়ামতৰ দিনা বিশ্বাসঘাতক সকলৰ বাবে ই লাজৰ উৎস আৰু প্ৰমাণ হ'ব। এই কথা শুনি এজন চাহাবা উটৰ নোমেৰে তৈয়াৰ কৰা এটা ৰছী লৈ আহি তেখেত (ছাঃ)ৰ সন্মুখত উপস্থিত

হৈ কৈছিল যে মই পুৰণি কাপোৰ চিলাই কৰিবলৈ সূতাডাল যুদ্ধলব্দৰ সম্পত্তিৰ পৰা লৈছিলো।

এইদৰে আন এজন চাহাবা উপস্থিত হয় যিয়ে যুদ্ধলব্দৰ সম্পত্তিৰ পৰা এটা বেজী লৈ নিজৰ পত্নীক দিছিল; তেওঁ ঘোষণা শুনি তৎক্ষণাত নিজৰ পত্নীৰ ওচৰত গৈ বেজীটো ঘূৰাই লৈ আহি যুদ্ধলব্দৰ বস্তুৰ লগত ৰাখি দিছিল। আঁহজৰত (ছাঃ)য়ে যুদ্ধলব্দৰ সম্পত্তি বিতৰণৰ সময়ত হৃদয় জয় কৰা লোকৰ প্ৰতি লক্ষ্য ৰাখি পোনপ্ৰথমে জনগোষ্ঠীৰ মুখিয়াল আৰু চৰ্দাৰ সকলক যুদ্ধলব্দৰ বস্তু বাহানি প্ৰদান কৰিছিল। এই চৰ্দাৰ সকলে নিজৰ জাতিৰ মাজত সন্মানপ্ৰাপ্ত আছিল। তেখেত (ছাঃ)য়ে তেওঁলোকক শ শ আৰু পঁঞ্চাচ পঁঞ্চাচ উট প্ৰদান কৰিছিল।

ইয়াৰ পিছত আঁহজৰত (ছাঃ)য়ে হজৰত জায়েদ বিন ছাবিত (ৰাঃ)ক কৈছিল যে আন আন লোককো মাতি আনক। তেখেত (ছাঃ)য়ে তেওঁলোকৰ সকলোৰে মাজত যুদ্ধলব্দ বিতৰণ কৰিলে। প্ৰতিজনৰ ভাগত চাৰিটা উট বা চল্লিছটা ছাগলী পৰিছিল। আঁহজৰত (ছাঃ)য়ে কুৰাইছ সকলক যুদ্ধলব্দ প্ৰদান কৰাৰ এটা কাৰণ এইটো বৰ্ণনা কৰিছে যে মই কুৰাইছ সকলক এই যুদ্ধলব্দৰ বস্তু প্ৰদান কৰি তেওঁলোকৰ হৃদয় জয় কৰি আছো; কাৰণ তেওঁলোকে কাফিৰ সকলৰ সৈতে সম্পৰ্ক পৃথক কৰাত দীৰ্ঘ সময় পাৰ হোৱা নাই। কিছুমান কপটাচাৰীয়ে যুদ্ধলব্দ বিতৰণৰ সময়ত আপত্তি কৰি অভিযোগ উত্থাপন কৰিছিল যে তেখেত (ছাঃ)য়ে যুদ্ধলব্দ বিতৰণ কৰা সময়ত ন্যায়ৰ সৈতে কাম লোৱা নাই আৰু আল্লাহ তা'লাৰ সন্তুষ্টিৰ বাবেও কাম কৰা নাই। আঁহজৰত (ছাঃ)য়ে যেতিয়া এই কথা শুনা পাইছিল তেতিয়া তেখেত (ছাঃ)ৰ মুখখন ৰঙা পৰি গৈছিল। তেখেত (ছাঃ)য়ে কৈছিল যে আল্লাহ আৰু সেইজনাৰ ৰছুলে যদি ন্যায়ৰ সৈতে কাম কৰা নাই তেন্তে কোনে আছে যিয়ে ন্যায়ৰ সৈতে কাম কৰিব ? ইয়াৰ পিছত তেখেত (ছাঃ)য়ে কৈছিল যে আল্লাহ মোৰ ভাই মুছাৰ ওপৰত দয়া কৰক, তেওঁক ইয়াতোকৈ বেছি আঘাত দিয়া হৈছিল তথাপি তেখেতে ধৈৰ্য ধাৰণ কৰিছিল।

ইয়াৰ পিছত আন এজন ব্যক্তি থিয় হৈ যুদ্ধলব্দৰ বস্তু বিতৰণত অভিযোগ কৰে তেতিয়া আঁহজৰত (ছাঃ)য়ে কৈছিল, তোমাৰ বেয়া হওঁক, যদি মই ন্যায় কৰা নাই তেন্তে কোনে আছে যিয়ে ন্যায় কৰিব। হজৰত খালিদ বিন অলিদ (ৰাঃ) আৰু হজৰত উমৰ (ৰাঃ)থিয় হৈ কৈছিল যে যদি আপুনি অনুমতি দিয়ে তেন্তে এতিয়াই তেওঁৰ ডিঙি উৰাই দিম। আঁহজৰত (ছাঃ)য়ে কৈছিল যে নহয়, সম্ভৱত এইজন ব্যক্তিয়ে নামাজ পঢ়ে, খালিদে কয় যে নামাজ পঢ়া ব্যক্তিয়ে তেওঁৰ হৃদয়ত নথকা কথা ক'ব পাৰিবনে ? আঁহজৰত (ছাঃ)য়ে কয় যে খালিদ! মোক এই আদেশ দিয়া হোৱা নাই যে মই কাৰো হৃদয়খন ফালি চাওঁ।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهُ وَنَسْتَعِيْنُهُ وَنَسْتَغْفِرُهُ وَنُؤْمِنُ بِهِ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهُ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ، عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR [aba] 19 SEP 2025**

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

**NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB**